

প্ৰবন্ধ

# শিক্ষানুষ্ঠানৰ সফলতা আৰু পাৰস্পৰিক আন্তঃক্ৰিয়া

ড° পাৰুল নাথ
মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ

শিক্ষানুষ্ঠান এখন গঢ়ি তোলাৰ লগত সৰ্বসাধাৰণ মানুহৰ আশা-আকাংক্ষা জড়িত হৈ থাকে। অতি কষ্টেৰে একোখন ঠাইৰ একোটা অঞ্চলৰ মানুহ একগোট হৈ হেঁপাহৰ অনুষ্ঠান এখনৰ শুভাৰম্ভ কৰি দান-বৰঙণিৰে পৰ্যায়ক্ৰমে উন্নতি তথা স্বীকৃতিৰ দিশত আগবঢ়ায়। লাহে লাহে শিক্ষানুষ্ঠানখনে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা হয় আৰু বিভিন্ন ঠাইৰ শিক্ষাৰ্থী সেইখন অনুষ্ঠানলৈ ঢাপলি মেলে। ৰাইজে সকাহ পায় আৰু গৌৰৱান্বিত হয়। এনেদৰে স্থাপন কৰা শিক্ষানুষ্ঠান এখনৰ সফলতা পাৰস্পৰিক আন্তঃক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল। কিয়নো, শিক্ষানুষ্ঠানখনৰ মূল উপাদান শিক্ষক, শিক্ষাৰ্থী আৰু কৰ্মচাৰীৰ উপৰিও অভিভাৱক, ৰাইজ তথা অঞ্চলৰ জ্যেষ্ঠ নাগৰিকসকলৰ মাজত থকা সু-সম্বন্ধ আৰু পাৰস্পৰিক বুজাবুজিৰ মনোভাবেহে শিক্ষানুষ্ঠান এখনক সফলতাৰ শীৰ্ষত উজ্বলাব পাৰে বুলি দৃঢ় বিশ্বাস আছে।

প্ৰতিখন শিক্ষানুষ্ঠান ফলাফলৰ সময়ত সমালোচনাৰ সন্মুখীন হোৱা দেখা যায়। বিশেষকৈ, আমাৰ নিচিনা পিছপৰা অঞ্চলৰ শিক্ষানুষ্ঠানসমূহ বিভিন্ন সমস্যাত ভুগিবলগীয়া হয়, যাৰ ফলত ৰাইজে আশা কৰা মতে ফলাফল লাভ কৰিব নোৱাৰে। সেই সমস্যাসমূহ সমাধানৰ বাবে পাৰস্পৰিক আন্তঃক্ৰিয়াৰ অতি প্ৰয়োজন। উদাহৰণস্বৰূপে তলত কিছুমান সাধাৰণ সমস্যাৰ কথা উল্লেখ কৰা হ'ল ঃ

❑ **ভৰ্তিকৰণৰ সমস্যা ঃ** আমাৰ শিক্ষানুষ্ঠানৰ প্ৰথম সমস্যাটো হ'ল ভৰ্তিকৰণৰ সমস্যা। যি সময়ত দিল্লী বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত মহাবিদ্যালয়সমূহত আমাৰ স্থানপ্ৰাপ্ত শিক্ষাৰ্থীও ভৰ্তিকৰণত থমকি ৰ'বলগীয়া হয় বা কটন বিশ্ববিদ্যালয়, বি. বৰুৱা মহাবিদ্যালয়, সন্দিকৈ মহাবিদ্যালয় ইত্যাদি আগশাৰীৰ মহাবিদ্যালয়সমূহত অতি কমেও ষ্টাৰ মাৰ্ক পোৱা প্ৰাৰ্থীয়ে প্ৰধান বিষয় (Major) লৈ পঢ়াৰ সুবিধা পায়, তেনেক্ষেত্ৰত আমাৰ নিচিনা মহাবিদ্যালয়সমূহত একোটা বিষয়ত ৪০ (চল্লিশ) বা তাতোকৈ কম নম্বৰ পোৱা শিক্ষাৰ্থীয়ে একোটা বিষয় প্ৰধান বিষয় হিচাপে লৈ পঢ়িব বিচাৰে। নম্বৰৰ উচ্চ সীমাৰ পৰা তললৈ নামি আহি আসন পূৰণ কৰিবলগীয়া হয়। কিয়নো, আমাৰ কোনো 'কাট অব্ মাৰ্ক' দিয়া নাথাকে, আসনৰ সংখ্যাহে উল্লেখ থাকে।

আকৌ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষতো একেই সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

গ্ৰেছ নম্বৰ পোৱা শিক্ষাৰ্থীসকলকো ভৰ্তি কৰা হয় অন্যথা সিহঁতে আন কোনো শিক্ষানুষ্ঠানত নামভৰ্তি কৰিব নোৱাৰে। গতিকে, মেধাৱী শিক্ষাৰ্থীৰ বিপৰীতে অনগ্ৰসৰ শিক্ষাৰ্থীৰ সংখ্যা অধিক হয়।

❑ **অভিভাৱকৰ অমনোযোগিতা ঃ** যিহেতু আমাৰ শিক্ষানুষ্ঠানৰ অধিকাংশ শিক্ষাৰ্থীয়ে কোনোমতে পাছ কৰি ভৰ্তি হয়, সেয়ে এই দিশত অভিভাৱকসকল সচেতন হ'ব লাগে। অন্ততঃ মহাবিদ্যালয়লৈ আহি শ্ৰেণীকোঠাত উপস্থিত আছে নে নাই, পাঠদান হৈছে নে নাই, বহীখনত শিক্ষকে পাঠদান কৰা বিষয়বস্তু লিখি লৈছে নে নাই, এইবিলাক অভিভাৱকে পৰ্যবেক্ষণ কৰিব লাগে। অপ্ৰিয় সত্য কথা এয়ে যে কেতিয়াবা কেতিয়াবা শিক্ষাৰ্থীয়ে বেগত বেলেগ সাজ-পোছাক লৈ আহি ইউনিফৰ্ম সলনি কৰি ফুৰিবলৈ যোৱাও পৰিলক্ষিত হয়।

সৰ্বসাধাৰণ ৰাইজ এইক্ষেত্ৰত সজাগ হোৱা নিতান্তই প্ৰয়োজন। তুলনামূলকভাৱে পাঠশালা আৰু আমাৰ দুধনৈ অঞ্চল সমপৰ্যায়ৰ যদিও পাঠশালা অঞ্চলত পঢ়াৰ বাবে পৰিৱেশ অতি উত্তম। মই ব্যক্তিগতভাৱে এটা কথা গম পাইছিলোঁ যে পাঠশালাৰ পাঠদান চলি থকাৰ সময়ত কোনো শিক্ষাৰ্থী যদি চাহৰ দোকান আদিত সোমায়, তেতিয়া দোকানৰ মালিকে সেই শিক্ষানুষ্ঠানৰ অধ্যক্ষক ফোন কৰি সেই কথা জনায় আৰু অধ্যক্ষজনে বিহিত ব্যৱস্থা গ্ৰহণ কৰে। যাৰ ফলত প্ৰতিখন শিক্ষানুষ্ঠানৰে ফলাফল অধিক উন্নত হৈছে। সেয়ে, এই ব্যৱস্থাটো যদি আমাৰ এই অঞ্চলতো প্ৰৱৰ্তন হয় অৰ্থাৎ প্ৰতিগৰাকী ব্যক্তি এই দিশত সচেতন হৈ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰে তেতিয়া নিশ্চয় ফলাফল উন্নত কৰিব পৰা যাব।

❑ **ইতিবাচক সমালোচনাৰ প্ৰভাৱ ঃ** বহু সময়ত চৰ্চিত এটি বিষয় হ'ল মহাবিদ্যালয়ৰ শিক্ষকে অধিক দৰমহা পায়, কিন্তু ক্লাছ নকৰে। এয়া সত্য নহয়। বৰ্তমানৰ ষান্মাসিক পদ্ধতিত শিক্ষকৰ অৱসৰৰ কোনো সময় নাথাকে। শিক্ষকৰ কামৰ কথা বিশ্লেষণ কৰিব নোৱাৰি। এদিনত ৪/৫ টা শ্ৰেণীত পাঠদান কৰিবলগীয়া হয়, শিক্ষাৰ্থীৰ বাবে Section খোলা হৈছে কিন্তু পৰ্যাপ্ত শিক্ষকৰ অভাৱ ইত্যাদি বহুত সমস্যা আছে। সেয়ে, ৰাইজৰ ফালৰ পৰা অসাংবিধানিক বা অনানুষ্ঠানিকভাৱে এখন তদাৰকী কমিটী গঠন কৰি মাজে-সময়ে মহাবিদ্যালয়ৰ কাম-কাজৰ খতিয়ান ল'ব লাগে। যেনে— শিক্ষকসকলে নিয়মিতভাৱে আহিছে নে নাই, শ্ৰেণীত পাঠদান কৰিছেনে নাই, ইত্যাদি ইত্যাদি।

❑ **যাতায়াতৰ অসুবিধা ঃ** দুধনৈ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান দুধনৈ মহাবিদ্যালয়। কিন্তু দুধনৈ চাৰিআলিৰ পৰা মহাবিদ্যালয়লৈ— এই পথছোৱা ইমানেই বেয়া যে উল্লেখ কৰিব নোৱাৰি। ৰিক্সা নাযায় বেছি টকা দিলেও। ৰাস্তাত গোটেই গাঁত। ৰাস্তাটোৰ বাবে কেতিয়াবা কেতিয়াবা বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

যিয়েই নহওক, সমস্যা আছে, থাকিবই। একেবাৰে সমস্যামুক্ত কোনো অনুষ্ঠান নাই। জীৱন মানে সংগ্ৰাম। নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ আমি ঐক্যবদ্ধ প্ৰচেষ্টাৰে আগবাঢ়িব লাগিব। একোখন শিক্ষানুষ্ঠানৰ আশা-আকাংক্ষাৰ সফল ৰূপ দিবলৈ হ'লে শিক্ষক, শিক্ষাৰ্থী, কৰ্মচাৰী, অভিভাৱক তথা ৰাইজৰ মাজত সহৃদয়তা আৰু সহানুভূতিৰে পাৰস্পৰিক বুজাবুজিৰ মনোভাব গঢ়ি তুলিব লাগিব। শিক্ষাৰ্থীসকলে যি আশাৰে আহি এই শিক্ষানুষ্ঠানত নামভৰ্তি কৰিলে তাক পূৰণ কৰিবৰ বাবে আমি সকলোৰে যত্নপৰ হ'ব লাগিব। প্ৰকৃতাৰ্থত এজন সৎ নাগৰিক হিচাপে সিহঁতক কেনেদৰে উজ্বলাই তুলিব পৰা যায় সেই বিষয়ে আমি সচেতন হ'ব লাগিব। শিক্ষানুষ্ঠানৰ পৰিৱেশ অনুকূল কৰি তুলিবলৈ শিক্ষানুষ্ঠানৰ লগত জড়িত সকলো ব্যক্তিয়ে যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব।

❑ **সামৰণি ঃ** মহাবিদ্যালয় এখনৰ বিভিন্ন সমস্যা থাকিবই। সেই সমস্যাসমূহৰ কিছু কিছু দিশত সমাধানৰ পথ উলিয়াই লৈ অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলাৰ বাবে আমি সকলোৰে মিলি কাৰ্যপন্থা হাতত ল'ব লাগে যাতে ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰিব পৰা যায়। অৱশ্যে, এইক্ষেত্ৰত অভিভাৱক তথা ৰাইজৰো



কিছু কৰণীয় আছে। কম নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থীৰ ভৰ্তিকৰণৰ বাবে অভিভাৱকৰ হেঁচাৰ নিচিনাকৈ শিক্ষাৰ্থীয়ে ঘৰত পঢ়িছেনে নাই বা পাঠগ্ৰহণ সময়মতে কৰিছেনে নাই সেই দিশতো গুৰুত্ব দিব লাগে। পাঠদানৰ সময়ত বিশেষকৈ ৯ বজাৰ পৰা ২.৩০-৩ বজালৈ শিক্ষাৰ্থীয়ে পাঠগ্ৰহণ নকৰি বাহিৰত ঘূৰি ফুৰি থাকে নেকি সেই দিশত ৰাইজৰ দৃষ্টি আমাৰ একান্ত কাম্য। শিক্ষানুষ্ঠান এখনৰ ফলাফল বা মানদণ্ড অকল শিক্ষক-শিক্ষাৰ্থী-কৰ্মচাৰীৰ ওপৰতে নিৰ্ভৰশীল নহয়। তাৰ বাবে প্ৰয়োজন এক সুস্থ বাতাবৰণৰ। সেয়ে, আমি সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টাৰে পাৰস্পৰিক বুজাবুজিৰ মাজেৰে ভৱিষ্যতৰ সুস্থ নাগৰিক হিচাপে শিক্ষাৰ্থীসকলক গঢ়ি তোলাৰ বাবে সংকল্প গ্ৰহণ কৰা উচিত। এই অঞ্চলৰ প্ৰতিগৰাকী নমস্য ব্যক্তিৰ কৰ্তব্য সচেতনতাই ভৱিষ্যতে শিক্ষাৰ্থীসকলক নিজ নিজ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সদা সচেতন হৈ থাকিবলৈ অনুপ্ৰাণিত কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

প্ৰবন্ধ


জ্যোতিপ্ৰসাদ আগৰৱালা


লক্ষ্মীনাথ বেজবৰুৱা

# অসমীয়া আধুনিক গীতৰ জন্মকথা

## এটি আলোচনা

(লক্ষ্মীৰাম বৰুৱাৰ পৰা বিষ্ণুপ্ৰসাদ ৰাভালৈ)


**হৰগোবিন্দ ডেকা**

মুৰব্বী অধ্যাপক, ইতিহাস বিভাগ


মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰাই সংগীতৰ ব্যৱহাৰ আমি দেখিবলৈ পাওঁ। পৃথিৱীৰ মানুহৰ সমাজ পৰিৱৰ্তনৰ দিশটো যদি আমি চাবলৈ যাওঁ— গোটেই প্ৰক্ৰিয়াটোক সামগ্ৰিকভাৱে আমি তিনিটা ভাগত ভাগ কৰিব পাৰো— আদিম সাম্যবাদী সমাজ, সামন্তীয় সমাজ আৰু আধুনিক সমাজ। তেনেদৰে সমাজ পৰিৱৰ্তনৰ এই তিনিটা দিশৰ লগত সংগতি ৰাখি সংগীত ধাৰাটোকো আমি তিনিটা ভাগত ভগাব পাৰো। আদিম সাম্যবাদী সমাজ— লোকসংগীত, লোক সাহিত্য, সামন্তীয় সমাজ— শাস্ত্ৰীয় বা ধ্ৰুপদী সংগীত, ধ্ৰুপদী সাহিত্য আৰু আধুনিক সমাজ— আধুনিক সংগীত, আধুনিক সাহিত্য ইত্যাদি। অসমৰ সংগীতক্ষেত্ৰখনলৈ যদি আমি যাওঁ— প্ৰাক্ শংকৰী যুগটো মূলতঃ লোকসংগীতৰ যুগ; শংকৰী যুগটোক আমি সত্ৰীয়া বা শাস্ত্ৰীয় সংগীতৰ যুগ বুলি ক'ব পাৰো আৰু ব্ৰিটিছ যুগৰ পৰা আৰম্ভ হৈছে আধুনিক যুগ।

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমখন ব্ৰিটিছ সাম্ৰাজ্যৰ লগত চামিল হয় আৰু লগে লগে ভাৰতবৰ্ষৰ আন আন ঠাইৰ সৈতে অসমৰ মানুহখিনিৰ যোগাযোগ আৰু সম্পৰ্ক এটি স্থাপন হয়। আনহাতে ব্ৰিটিছে অসমখন দখল কৰাৰ পিছত তেওঁলোকৰ অফিচ, আদালতত কাম কৰাৰ বাবে বংগদেশৰ পৰা

বঙালী সম্প্ৰদায়ৰ লোকক অসমলৈ আনে। তাৰ ফলস্বৰূপে ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈ অসমৰ কাৰ্যালয় সমূহত বাংলা ভাষা প্ৰচলন হয়। ৩৬ বছৰীয়া এই ভাষা প্ৰৱৰ্তনে হয়তো অসমৰ থলুৱা মানুহখিনিৰ অন্তৰত বাংলা ভাষা, সংস্কৃতি, সংগীত আদি শিকাৰ বাবে উদ্‌গনি দিলে। বংগদেশখন সেই সময়ত ভাৰতবৰ্ষৰ ভিতৰতেই আছিল এখন শিক্ষা, সংস্কৃতিত আগবঢ়া ঠাই। আনহাতে ব্ৰিটিছ ভাৰতৰো প্ৰধান কাৰ্যালয়। সেই সময়ৰ অসমৰ যিসকল বিদ্বৎসাহী লোকে শিক্ষা ল'বলৈ আগ্ৰহ প্ৰকাশ কৰিছিল, তেওঁলোকে কলিকতালৈয়ে গৈছিল। নিজৰ অধ্যৱসায়ৰ লগতে তেওঁলোকৰ মাজৰ বহুতো অসমীয়া শিক্ষিত ব্যক্তিয়ে বাংলা সাহিত-সংস্কৃতি, সংগীতৰ লগতো একাত্ম হৈ পৰিছিল। কলিকতালৈ পঢ়িবলৈ যোৱা সেই সময়ৰ অসমৰ যুৱ চামৰ মাজত দুটি দলৰ সৃষ্টি হৈছিল। অসমীয়া আধুনিক গীতৰ নিজস্ব ধাৰা এটা যে বিকশি উঠিব পাৰে সেই কথা এচামে ধাৰণাই কৰিব পৰা নাছিল। তেওঁলোকে ভাবিছিল আধুনিক গীতৰ বাবে চিপ্ৰাং, খাস্তাং, লাৰৰিং ইত্যাদি শব্দৰ দ্বাৰা গঠিত অসমীয়া ভাষাটো উপযুক্ত নহয়। এই ভাষাত সংগীতৰ বাবে সাৱলীলতা, ৰোমাণ্টিক আবেদনময়ী শব্দ চয়ন, বা গা-মন জোকাৰি যাব পৰা সুৰ সঞ্চাৰ অসমীয়া ভাষাত নাই। তেওঁলোকৰ মতে বৰগীত, বনগীত গোৱাতকৈ ৰবীন্দ্ৰ সংগীত, নজৰুল গীত অথবা দ্বিজেন্দ্ৰলালৰ গীত গাব পৰাটো গৌৰৱৰ কথা আছিল। সেইখিনি সময়ত ৰবীন্দ্ৰ সংগীত চৰ্চা কৰাটো এক আভিজাত্যৰ পৰিচয়ো হৈ পৰিছিল। সেই লৈ অৱশ্যে মানুহৰ মাজত কোনো দ্বিধা-দ্বন্দ্বও নাছিল। কিন্তু এইখিনি হীনমান্যতাত ভোগা লোকৰ বিৰুদ্ধে কেইজনমান মুষ্টিমেয় যুৱকে গোটেই বিষয়টো প্ৰত্যাহ্বানস্বৰূপে লৈ অসমীয়া সাহিত্য, সংগীতক স্বকীয় ধাৰাৰে আগবঢ়াই নিয়াৰ চিন্তা-চৰ্চা কৰিছিল। ১৮৮৯ চনত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালাই 'জোনাকী' কাকতৰ জন্ম দি অসমীয়া সাহিত্যলৈ যি নৱ জাগৰণ আনিলে, সংগীতৰ ক্ষেত্ৰখনতো লক্ষ্মীৰাম বৰুৱা, সত্যনাথ বৰা, বেণুধৰ ৰাজখোৱা আদি কিছুসংখ্যক লোকে অসমীয়া সংগীতক পুনৰ উদ্ধাৰ কৰাৰ প্ৰচেষ্টা হাতত ল'লে।

সেই উদ্দেশ্যে ১৮৮৮ চনত সত্যনাথ বৰাই 'গীতাৱলী' নামেৰে প্ৰথমখন অসমীয়া গীতৰ পুথি ছপা কৰি উলিয়াইছিল। কিতাপখনত প্ৰণেতাৰ নাম নিজে নিদি 'এজন অসমীয়াৰ দ্বাৰা প্ৰণীত' বুলিহে উল্লেখ কৰিছিল। তেওঁৰ গীতৰ এফাঁকি এনেধৰণৰ—

"আজি মজাচে পেটুৱা পেট ভৰি খা
পেট ভৰি পেট ভৰি পেট ভৰি খা
ঔ থেকেৰা টেঙা
ৰহৰ দি দাল
আলু ভজা খাব মজা পকা খৰিছা..."

চাব গ'লে গীতটোত হয়তো উন্নত কোনো সাহিত্যিক মূল্য নাই। কিন্তু গীতটোৰ ঐতিহাসিক মূল্য আছিল যথেষ্ট। অসমীয়া ভাষাত গীত লিখি মঞ্চত পৰিৱেশন কৰি অসমীয়া গায়কসকলৰ দ্বিধা-সংকোচবোৰ এনেদৰেই আঁতৰ কৰিবলৈ চেষ্টা কৰা হৈছিল।

অসমীয়া আধুনিক গীতৰ প্ৰণালীবদ্ধ যি চৰ্চা, সেয়া আৰম্ভ হৈছিল সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ দিনৰ পৰা। মহেশ্বৰ নেওগে তেওঁক এটি অনুষ্ঠান, এটি আন্দোলন বুলি অভিহিত কৰি গৈছে। তেওঁ উত্তৰ ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ সৈতে অসমীয়া থলুৱা সুৰৰ সংযোগ ঘটাই অসমীয়া আধুনিক গীতৰ স্বকীয় ধাৰা এটাৰ জন্ম দিয়ে। সেই সময়তে বৰুৱাদেৱে অসমীয়া সংগীতৰ আপুৰুগীয়া সম্পদ 'সংগীত কোষ' (১৯০৯) আৰু 'সংগীত সাধনা' (১৯১০) গ্ৰন্থ দুখন প্ৰকাশ কৰি উলিয়ায়। এই কিতাপখনত বিভিন্ন গীতিকাৰৰ ৪২২টা গীত সন্নিৱিষ্ট কৰা হৈছিল। গীতসমূহক বিষয় অনুসাৰে তিনি ভাগত ভাগ কৰি সজোৱা হৈছে। জাতীয় সংগীত, বিবিধ সংগীত আৰু পুৰণি সংগীত। শেষৰ ভাগত বিয়ানাম, বনগীত, বৰগীত আদি সন্নিৱিষ্ট কৰা হৈছিল। 'সংগীত কোষ' গ্ৰন্থখন অসমীয়া গীতৰ এটি আলোক উজ্জ্বল স্তম্ভ। অসমীয়া ভাষাত মৰ্যাদা সম্পন্ন আধুনিক গীত ৰচনা নহ'ব বুলি ভবা অসমীয়াসকলৰ আশংকা দূৰ কৰি এই গ্ৰন্থখনে অসমীয়া আধুনিক গীত আৰু গীতিকাৰসকলক প্ৰতিষ্ঠা প্ৰদান কৰিলে। তেওঁৰ আনখন গ্ৰন্থ 'সংগীত সাধনা'। এইখন গ্ৰন্থক অসমীয়া ভাষাত গীত-বাদ্য শিক্ষাৰ আদি পাঠ বুলি কোৱা হয়। অসমীয়া মানুহৰ মাজত সংগীতৰ প্ৰতি অনুৰাগ বঢ়াবৰ বাবে



বিষ্ণুপ্ৰসাদ ৰাভা



পাৰ্বতিপ্ৰসাদ বৰুৱা

প্ৰথম উদ্যমৰ ফল বুলি তেওঁ উল্লেখ কৰি সংগীতৰ মূল সূত্ৰ ৰাগ-ৰাগিনী, তাল, অলংকাৰ, স্বৰলিপি, গত— এই ছটা সংগীতৰ বিজ্ঞানসন্মত চৰ্চাৰ অধ্যয়নৰ লগতে কিছুসংখ্যক বিশেষ গীত এই পুথিখনত সন্নিৱিষ্ট হৈছে। সংগীত চৰ্চাৰ বাবে সেই উপযুক্ত শিক্ষা আৰু সাধনাৰ প্ৰয়োজন— এই বিষয়ৰ এইখনেই আছিল প্ৰথম অসমীয়া পুথি। মাত্ৰ ৪৯ বছৰৰ সাংস্কৃতিক কৰ্মেৰে অসমীয়া গীতি-সাহিত্য আৰু সংগীতক বঙালী সুৰৰ প্ৰভাৱৰ পৰা মুক্ত কৰি যি মৰ্যাদা প্ৰদান কৰিলে, সিয়ে সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাক অসমীয়া জাতীয় জীৱনত চিৰদিন উজ্বলাই ৰাখিব।

লক্ষ্মীৰাম বৰুৱাৰ পিছত আৰু আন কেইবাগৰাকী গীতিকাৰে মৰসাহ কৰি হ'লেও গীত লিখি, পুথি ছপা কৰি সুৰ সংযোজন কৰি গোৱা পৰিলক্ষিত হয়। তাৰ ভিতৰত ভকতৰাম চৌধুৰীৰ 'প্ৰণয় গান' (১৯০৩) বেণুধৰ ৰাজখোৱাৰ 'বাঁহী' (১৯০৬), পদ্মধৰ চলিহাৰ 'ফুলনি' একে সময়তে অম্বিকাগিৰি ৰায়চৌধুৰী, উমেশ চন্দ্ৰ চৌধুৰী, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, কমলানন্দ ভট্টাচাৰ্য, মিত্ৰদেৱ মহন্তৰ পৰাও 'গীত লহৰী', 'প্ৰতিধ্বনি' মন্দাকিনী, বেউলা, শতদল, গীতাৱলী আদি বাছকবনীয়া বহুকেইখন অমূল্য গীতৰ পুথি পাওঁ। ১৯২৬ চনৰ পাণ্ডু মহাসভাত সমবেত গীত হিচাপে পৰিৱেশন কৰা 'আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট' আৰু 'শুনিবি ভাই দেশৰ কথা কওঁ' গীত দুটি ৰায়চৌধুৰীৰ দুটি উল্লেখনীয় গীত। ঠিক সেইদৰে কমলানন্দ ভট্টাচাৰ্যৰ 'বিলত তিৰে বিৰায় পদুমৰ পাহী ঐ' আৰু 'চৰাই হালধীয়া পাখিও ধুনীয়া' সম্পূৰ্ণ অসমীয়া ঠাঁচত সুৰ কৰা দুটি গীত। অসমীয়া আধুনিক গীতৰ ভেটি স্থাপনত অৰিহণা যোগোৱা আন দুগৰাকী শিল্পী হ'ল — কীৰ্তিনাথ শৰ্মা বৰদলৈ আৰু তেওঁৰ পুত্ৰ মুক্তিনাথ শৰ্মা বৰদলৈ। তেওঁলোকে উলিওৱা 'বাসন্তীৰ অভিষেক', 'লুইতকোঁৱৰ' 'সুৰ বিজয়' মেঘালী আদি সংগীতালেখ্যসমূহেও অসমীয়া আধুনিক গীতৰ এক নতুন পৰিমণ্ডল ৰচনা কৰে। কীৰ্তিনাথ শৰ্মা বৰদলৈৰ 'সুৰ বিজয়' (১৯২৮) আৰু 'কামৰূপী সংগীত' অসমীয়া সংগীত জগতৰ দুখন অমূল্য গ্ৰন্থ। এইখিনিতে কীৰ্তিনাথ শৰ্মা বৰদলৈয়ে লিখা আৰু সুৰ কৰা 'ইমান ধুনীয়া কৰি আমাৰ পৃথিৱীখনি' গীতটি সুন্দৰ অসমীয়া ঠাঁচত সুৰ কৰা এটি গীত।

**পাৰ্বতিপ্ৰসাদ বৰুৱাৰ 'জোনাক জোনাক শীতল জোনাক', 'আহিনমহীয়া শেৱালি সৰিলে', 'তোৰ নাই যে বন্ধোৱা বাট' আদি গীত অতি মধুৰ। বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ 'গুৰু মোৰ শংকৰ তৰিবৰ এই কিনো উপায়', 'অ' অসমীয়া ডেকা দল', 'সুৰৰে দেউলৰে' আদি গীতসমূহ সদায়ে অন্তৰত বাজি ৰয়।**

অসমত অসমৰ থলুৱা সুৰক ভেটি কৰি লৈ অসমীয়া আধুনিক গীতৰ সুৰ ৰচনা কৰাৰ ক্ষেত্ৰত জোনাকী যুগৰ পৰাই যিকেইজন মহান ব্যক্তিয়ে অবিৰত চেষ্টা চলাই আহিছিল, সেই চেষ্টাক হেঙুল-হাইতাল বুলাই অধিক সমুজ্জ্বল আৰু জনপ্ৰিয় কৰি তুলিবলৈ সক্ষম হৈছিল জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু পাৰ্বৰ্তিপ্ৰসাদ বৰুৱাদেৰে। জ্যোতিপ্ৰসাদ আছিল অসমীয়া আধুনিক গীতৰ বাটকটীয়া। তেওঁৰ 'শোণিত কুঁৱৰী' নাটকত থকা গীতকেইটিৰ জৰিয়তে অসমীয়া আধুনিক গীতৰ সম্পৰ্কত এটি পৰীক্ষা চলাইছিল আৰু বহুতো হতাশা, ঠাট্টা, দ্বন্দ্ব, সংশয়ৰ সন্মুখীন হৈ তেওঁ এই পৰীক্ষাত উত্তীৰ্ণ হৈছিল। সেই সময়ত বাণ ৰংগ মঞ্চত 'শোণিত কুঁৱৰী'ৰ আখৰা চলিছিল। নাটকৰ মাজত থকা গীতকেইটিত অসমীয়া থলুৱা সুৰ কেনেকৈ দিব পাৰি তাৰ কাৰণে তেওঁৰ মন উচ্পিচাই আছিল। এদিনাখন বাণ ৰংগ মঞ্চৰ পৰা 'শোণিত কুঁৱৰী' নাটকৰ আখৰা কৰি আহি ঘৰ সোমাই দেউতাকৰ অৰ্গেনত কেইটিমান সুৰ শুনা পাই তেওঁ অভিভূত হৈ পৰিছিল। প্ৰথমে তেওঁ অৰ্গেনত কীৰ্তনৰ পদ এফাঁকিৰ সুৰ শুনিছিল— "কৃষ্ণৰ বিক্ৰম দেখি ঋক্ষৰাজ পৰম বিস্ময় মনে"। তাৰপিছতে তেওঁ আকৌ শুনা পালে—

"অ' আইটি বেঙন বৰা
চৰকাৰৰ ছ অনা
পুলিচৰ লয়না
থানালৈ পল্টন কাৱাজ কৰা।"

শেষত দেউতাকৰ অৰ্গেনত আৰু বাজি উঠিল—

"তুলসীৰ তলে

মৃগ পহু চৰে
তাকে দেখি ৰামচন্দ্ৰ
শৰ ধেনু ধৰে ৰাস
শৰধেনু ধৰে।”

সেইদিনা ৰাতি তেওঁৰ আৰু টোপনি নহ’ল। পিছদিনা পুৱাই বাণ মঞ্চলৈ গৈ হাৰমনিয়ামখন লৈ ‘গছে গছে পাতি দিলে ফুলৰে শৰাই’ গীতটি বিয়ানামৰ সুৰত তেওঁ সুৰ কৰিলে। প্ৰথমতে মঞ্চ গৃহত থকা সকলোৰে আপত্তি আছিল। কলিকতীয়া থিয়েটাৰী সুৰ আৰু উচ্ছাংগ হিন্দুস্থানী সংগীতত অভ্যস্তসকলে নাক কোঁচাই নানা ঠাট্টা-বিদ্ৰূপ কৰি তেওঁক ক’বলৈ ধৰিলে— “ই! এতিয়া হোজা গাঁৱলীয়া নামবোৰ আমি গাব লাগিবনে? এই ষ্টেজত বিহু মাৰিমনে?” জ্যোতি প্ৰসাদেও খঙতে কৈ পেলালে— “মোৰ যদি নতুন অসমীয়া সুৰীয়া গানবোৰ নাগায়, তেন্তে মই মোৰ নাটকো কৰিবলৈ নিদিওঁ আৰু মই বাণ থিয়েটাৰত একো সহযোগ নকৰোঁ।” কিন্তু সমস্যাৰ ওৰ পৰিল। কেইদিনমান পিছতে ‘চিত্ৰলেখা’ৰ ভাও লোৱা সংগীতবিদ শ্ৰীযুত প্ৰফুল্ল বৰুৱা কাশীৰ পৰা তেজপুৰ পালেহি আৰু তেওঁ চিত্ৰলেখাই গাবলগীয়া গীতবোৰ জ্যোতিপ্ৰসাদৰ পৰা শিকি সুৰবোৰ শুনি আনন্দিত হ’ল। আমাৰ ‘অসমীয়া সুৰবোৰ উভতি আহিল’ বুলি তেওঁ প্ৰশংসা কৰিবলৈ ধৰিলে। প্ৰফুল্ল বৰুৱাৰ সুললিত কণ্ঠত গীতবোৰে প্ৰাণ পাই উঠিল। লাহে লাহে গীতবোৰে সকলোৰে মন আকৰ্ষণ কৰিবলৈ ধৰিলে। এমাহ মানৰ পিছত মানুহৰ ৰূপ সলনি হ’ল। এইদৰে আৰম্ভ হ’ল অসমীয়া গীতৰ এক নৱ যুগ।

ইয়াৰ পিছত ১৯২৪ চনত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তম অধিৱেশনত মঞ্চত গীত পৰিৱেশনৰ বাবে প্ৰফুল্ল বৰুৱাই ‘গছে গছে পাতি দিলে’ আৰু ‘ৰূপহ কোঁৱৰৰ চুমা পৰশতে’ গীত দুটি বাছি ল’লে। জ্যোতিপ্ৰসাদে বাধা দিছিল যদিও বৰুৱা দৃঢ় প্ৰতিজ্ঞ। সভাখনৰ সভাপতি আছিল লক্ষ্মীনাথ বেজবৰুৱা। গীত দুটি শুনাৰ পিছতে পণ্ডিত লক্ষ্মীনাথ শৰ্মাদেৱে ভাষণত আৱেগময়ী ভাষাৰে কৈ পেলালে— “আজি সভাত যতবোৰ গান শুনিলোঁ, একাণেদি



“

**বিষ্ণুপ্ৰসাদ ৰাভাই নিজেই এদিন জ্যোতিপ্ৰসাদ আগৰৱালাক কৈছিল— “জ্যোতি ককাইদেউ, আপোনাৰ গীতৰ প্ৰথম শাৰী যিটো** স্বৰত শেষ হয়, দ্বিতীয় শাৰীটোও সেই স্বৰৰ পৰাই আৰম্ভ হয়।” ...অসমৰ সংগীত জগতৰ পুৰোধা ব্যক্তিসকলে নানা কষ্টৰ মাজেৰে অসমীয়া আধুনিক গীতত কথা আৰু সুৰেৰে যি **এটি সুস্থ-সবল ধাৰা সৃষ্টি কৰি গ’ল— বৰ্তমান সময়ত কিছুক্ষেত্ৰত তাৰ বিচ্যুতি দেখা পাওঁ যদিও আমি আশাবাদী— পুনৰ সাংগীতিক আৰু সাহিত্যিক মূল্যায়নেৰে ই এদিন ঘূৰি আহিব।**

সোমাই আনকাণেদি ওলাই গ’ল। কিন্তু এই অসমীয়া সুৰৰ গান দুটা মোৰ প্ৰাণৰ ভিতৰলৈ সোমাল। এই সাহিত্য সভাৰ অধিৱেশনৰ পিছৰ পৰাই অসমত অসমীয়া সুৰৰ প্ৰভাৱ আৰম্ভ হ’ল।

জ্যোতিপ্ৰসাদৰ লগতে অসমৰ আন দুগৰাকী গীতিকাৰ, সুৰকাৰ ক্ৰমে পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া গীতৰ আধুনিকীকৰণত যথেষ্ট অৱদান আগবঢ়াই গৈছে। দুয়োগৰাকী শিল্পীৰ গীতৰ কথা আৰু সুৰে অসমীয়া আধুনিক গীতক এটি নতুন মাত্ৰা প্ৰদান কৰিলে। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ ‘জোনাক জোনাক শীতল জোনাক’, ‘আহিনমহীয়া শেৱালি সৰিলে’, ‘তোৰ নাই যে বন্ধোৱা বাট’ আদি গীত অতি মধুৰ। বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ ‘গুৰু মোৰ শংকৰ তৰিবৰ এই কিনো উপায়’, ‘অ’ অসমীয়া ডেকা দল’, ‘সুৰৰে দেউলৰে’ আদি গীতসমূহ সদায়ে অন্তৰত বাজি ৰয়। পিছৰ পৰ্যায়ত জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ একাত্ম হৈ পৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাই নিজেই এদিন জ্যোতিপ্ৰসাদ আগৰৱালাক কৈছিল— “জ্যোতি ককাইদেউ, আপোনাৰ গীতৰ প্ৰথম শাৰী যিটো স্বৰত শেষ হয়, দ্বিতীয় শাৰীটোও সেই স্বৰৰ পৰাই আৰম্ভ হয়।”

অসমৰ সংগীত জগতৰ পুৰোধা ব্যক্তিসকলে নানা কষ্টৰ মাজেৰে অসমীয়া আধুনিক গীতত কথা আৰু সুৰেৰে যি এটি সুস্থ-সবল ধাৰা সৃষ্টি কৰি গ’ল— বৰ্তমান সময়ত কিছুক্ষেত্ৰত তাৰ বিচ্যুতি দেখা পাওঁ যদিও আমি আশাবাদী— পুনৰ সাংগীতিক আৰু সাহিত্যিক মূল্যায়নেৰে ই এদিন ঘূৰি আহিব।

**সহায়ক গ্ৰন্থ ঃ**

১। অসমীয়া আধুনিক সংগীতৰ ইতিহাস ঃ লোকনাথ গোস্বামী

২। কথা বৰেণ্য ১০০ ঃ সম্পাদক— শোণিত বিজয় দাস, মুনীন বায়ন

**বিঃ দ্ৰঃ** লেখনিটিত অজানিতে সংগীতৰ লগত জড়িত দুই-এজন ব্যক্তিৰ নাম বৈ যাব পাৰে, তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

প্ৰ|ব|ন্ধ

# পৰ্যটকৰ আকৰ্ষণস্থলী
# শ্ৰীশ্ৰী সূৰ্য পাহাৰ

**মুনমী ৰাভা**
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ



শ্ৰীশ্ৰী সূৰ্য পাহাৰ— অসমৰ পশ্চিম প্ৰান্তত সগৌৰৱে থিয় হৈ থকা সুন্দৰ ভাস্কৰ্য শিল্পৰ ই যেন এক অক্ষয় ভঁৰাল। প্ৰায় ২,৫০০ বিঘা মাটিকালিৰে বিস্তৃত শ্ৰীশ্ৰীসূৰ্য পাহাৰ মহাপীঠস্থানৰ বুকুতেই সৃষ্টি হোৱা এই সুউচ্চ পাহাৰখনি স্বকীয় মৰ্যাদাৰে ঐতিহ্যমণ্ডিত। ঐতিহাসিক, প্ৰত্নতাত্বিক সম্ভাৰেৰে পৰিপূৰ্ণ ই যেন এক Forest hill. প্ৰাচীন ভাৰতীয় সভ্যতাৰ ভগ্নাৱশেষভূত ই এক গৌৰৱোজ্জ্বল স্থান। মৌচুমী বায়ুৰ সু-প্ৰভাৱত সমভাবাপন্ন জলবায়ুৰ বাবে সকলো প্ৰকাৰ জীৱৰ ই যেন এক সুনিৰ্বাচিত বসতিস্থল। জিলাখনৰ গড় বৃষ্টিপাতো বেছি। সেয়ে, এই পাহাৰত চিৰসেউজৰূপী নৈসৰ্গিক শোভাই সকলোকে আকৰ্ষণ কৰিব পাৰে। পুৰাতত্ত্ববিদ সকলৰ দৃষ্টিত শ্ৰীশ্ৰীসূৰ্য পাহাৰ যেন এক ভূ-স্বৰ্গহে।

গোৱালপাৰা চহৰৰ পৰা ১২ কিঃ মিটাৰ পূব আৰু গুৱাহাটী মহানগৰীৰ পৰা প্ৰায় ১৩৬ কিলোমিটাৰ পশ্চিম দিশৰ দূৰত্বত অৱস্থিত এই মহা পীঠস্থানখনি। গুৱাহাটীৰ পৰা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথেৰে দুধনৈলৈ, পিছত মাটিয়া-গোৱালপাৰা গড়কাপ্তানি পথেৰে গৈ পীঠস্থানখনিৰ মুখ্য তোৰণ দৰ্শনৰ সৌভাগ্য ঘটে।

মন-প্ৰাণ বিমোহিত নৈসৰ্গিক শোভা, নিৰাপত্তাৰ ব্যৱস্থাৰ লগতে প্ৰত্নতাত্বিক নিদৰ্শনসমূহৰ পৰা লাভ কৰা ধৰ্মীয় তথা ঐতিহাসিক অভিজ্ঞতাৰ বাবে এই পীঠস্থানখনিয়ে বৰ্তমানে তীৰ্থযাত্ৰী, দৰ্শনাৰ্থী, ভক্তপ্ৰাণ ৰাইজ, প্ৰমোদ বিলাসী আৰু বনভোজপ্ৰেমীসকলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। বৰ্তমানে বৃহৎ আঞ্চলিক ভিত্তিত গঠিত হোৱা এখন পৰিচালনা সমিতিৰ তত্বাৱধানত বছৰটোৰ বিভিন্ন তিথি-পৰ্বৰ লগতে পবিত্ৰ মাঘী পূৰ্ণিমা তিথিত দেশৰ আৰু দহৰ মংগলাৰ্থে ব্ৰহ্ম মুহূৰ্তৰ পৰাই আৰম্ভ হোৱা 'বিষ্ণুযজ্ঞ'ক কেন্দ্ৰ কৰি সাতদিনীয়া বিভিন্ন কাৰ্যসূচীৰ এক বিৰাট মেলা-মহোৎসৱৰ আয়োজন কৰা হয়।

পাহাৰখনৰ বুকুত খোদিত হোৱা প্ৰত্নতাত্বিক নিদৰ্শনসমূহৰ জন্মকালৰ সম্যক ইতিহাস ঠাৱৰ কৰাটো জটিল। খনন কাৰ্যত উদ্ধাৰ হোৱা 'তেৰাকটা মাটি' খোদিত ইটাসমূহৰ মূৰ্তিসমূহ নৱম-দশম শতিকাৰ বুলি ঠাৱৰ কৰা হৈছে। কিন্তু এডৱাৰ্ড গেইট চাহাবে তেখেতৰ গ্ৰন্থত শ্ৰীসূৰ্য পাহাৰত খোদিত ভাস্কৰ্যসমূহ পঞ্চম-ষষ্ঠ শতিকাৰ বুলি দাবী কৰিছে আৰু ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজধানী শ্ৰীসূৰ্য পাহাৰৰ আশে-পাশে থকা বুলি লিখিছে। এই পাহাৰত থকা গড় খাৱৈ আৰু ভগ্নাৱশেষ লক্ষ্য কৰি ইয়াত জনৈক পাল বংশৰ ৰজাই ৰাজধানী স্থাপনৰ প্ৰস্তুতি চলাইছিল বুলি একাংশ বুৰঞ্জীবিদে ক'ব খোজে।

পৌৰাণিক গ্ৰন্থসমূহত শ্ৰীশ্ৰীসূৰ্য পাহাৰক ক্ৰমে



ৰবিক্ষেত্ৰ, সূৰ্যক্ষেত্ৰ, আদিত্যগিৰি, ভাস্কৰগিৰি আদি নামেৰে অভিহিত কৰা হৈছে। প্ৰবাদ মতে, সূৰ্য পাহাৰক ৰামায়ণত বৰ্ণিত 'সাতালী পৰ্বত' বুলি কোৱা হৈছে। ৰাম ভক্ত হনুমানে শক্তিশেলত পীড়িত লক্ষ্মণৰ চিকিৎসাৰ বাবে 'বিহলৈকৰণি' নামৰ বনৌষধি এই পাহাৰৰ পৰাই সংগ্ৰহ কৰি লৈছিল। প্ৰবাদ মতে, মহামুনি ব্যাসদেৱে এই পাহাৰত থকা 'আকাশীগংগা'ৰ পাৰত আশ্ৰম পাতি পীঠস্থানখনিক ভাৰতৰ 'দ্বিতীয় কাশীধাম' হিচাপে গঢ় দিয়াৰ মানসেৰে এক লাখলৈ এটা কম শিলামূৰ্তি (অধিকাংশ শিৱলিংগ) খোদিত কৰি ভাস্কৰ্য শিল্পৰ ইতি পেলাই পাহাৰ এৰি গুচি যোৱাৰ প্ৰবাদ আছে। প্ৰাচীন ভাৰতত প্ৰচলিত তিনিটা প্ৰধান ধৰ্মৰ (হিন্দু, বৌদ্ধ, জৈন) বিভিন্ন ভাস্কৰ্য নিদৰ্শনৰে ঠাহ খাই থকা বাবে শ্ৰীশ্ৰীসূৰ্য পাহাৰক A Picture Gallery of Archaeological Remains বুলি মন্তব্য কৰা হয়। সেই অৰ্থত এই পাহাৰক ভাৰতৰ পশ্চিম অঞ্চলৰ 'ইলোৰা'ৰ লগত তুলনা কৰা হয়। গোৱালপৰীয়া সমূহ বাসিন্দাৰ বাবে এইটো গৌৰৱৰ বিষয় যে সনাতন হিন্দু ধৰ্মৰ প্ৰায় আটাইকেইটি ঠালৰ প্ৰভাৱ এই পাহাৰৰ ভাস্কৰ্যসমূহৰ মাজত বিদ্যমান। ব্ৰহ্মা, বিষ্ণু, মহেশ, সূৰ্য, গণেশ, চন্দ্ৰ, শিৱলিংগ আৰু যোনীপীঠৰ বিগ্ৰহ এই পাহাৰত আজিও বিদ্যমান।

প্ৰাচীন কামৰূপত অন্য দেৱ-দেৱীৰ পূজাৰ প্ৰচলন থাকিলেও সূৰ্য পূজাৰ প্ৰৱৰ্তন কেৱল দুই-এখন উল্লেখযোগ্য স্থানতহে দেখা গৈছিল। তেনে এক স্থানেই হ'ল এই পীঠস্থান (কালিকা পুৰাণ মতে)। সূৰ্যদেৱতাৰ বিগ্ৰহ পীঠস্থানখনিৰ মূল স্থানতেই খোদিত কৰি সূৰ্য পূজাৰ প্ৰচলনৰ ব্যৱস্থা কৰা হৈছিল। পাহাৰখনৰ পূৱ পাদদেশত খনন কাৰ্যত উদ্ধাৰ হোৱা 'শ্ৰীসূৰ্যকুন্দ' নামৰ পুখুৰীটোৰ ঠিক দক্ষিণ পাৰতেই অৱস্থিত এই 'সূৰ্য বিগ্ৰহ'। এটা চক্ৰাকাৰ শিলাখণ্ডৰ বাৰটা পদুমৰ পাহিৰে আবৃত কেন্দ্ৰস্থলৰ ভাস্কৰ্য চিত্ৰটিক 'প্ৰজাপতি' বুলি চিহ্নিত কৰা হৈছে। প্ৰায় ১.৩৮ মিটাৰ ব্যাসাৰ্ধৰ এই শিলাখণ্ডক 'আদিত্যচক্ৰ' বুলি অভিহিত কৰা হয়। চক্ৰটোৰ মাজত আসন ভংগীত থকা মূৰ্তিটোৰ চাৰিখন মুখ আছে। আসনৰ তলত এটি ৰাজহংস। প্ৰতিটো পদুমৰ পাহিতে এটাকৈ 'আদিত্য দেৱতা'ৰ মূৰ্তি আছে। এওঁলোকেই 'দ্বাদশ আদিত্য'। তেওঁলোক ক্ৰমে ধাত্ৰী, মিত্ৰ, আৰ্যমান, ৰুদ্ৰ, বৰুণ, সূৰ্য, ভাগ, বিৱসন, পূষণ, সাবিত্ৰী, তৱষ্ট্ৰী আৰু বিষ্ণু। 'শ্ৰীসূৰ্যকুণ্ড' নামৰ আয়তাকাৰ আৰু দক্ষিণ পাৰত খটখটি সন্নিৱিষ্ট পুখুৰীটো বৰ্তমান কাটা তাঁৰেৰে সংৰক্ষিত অৱস্থাত আছে। কুৰি শতিকাৰ শেষাৰ্ধত এই পুখুৰীৰ বুকুৰ পৰা এটি 'বিষ্ণুমূৰ্তি' আৰু 'নটৰাজ'ৰ ভগ্নাৱশেষ মূৰ্তি উদ্ধাৰ হৈছিল। এই দুই মূৰ্তি কি কাৰণে এই পুখুৰীত জাহ গৈ আছিল তাৰ কাৰণ ভাবিবলগীয়া। বৰ্তমান এই মূৰ্তি 'অসম ৰাজ্যিক যাদুঘৰ'ত সংৰক্ষণ কৰা হৈছে। সম্প্ৰতি এই বিগ্ৰহৰ মন্দিৰৰ পূৰ্ণাংগ ৰূপৰ বাবে পীঠস্থান পৰিচালনা সমিতিয়ে কেইবা লাখ টকাৰ আঁচনি লোৱা বুলি জানিব পৰা গৈছে।

পীঠস্থানখনৰ উত্তৰ পশ্চিম ভাগৰ 'ঘোপা' আকৃতিৰ ঠাইডোখৰত আছে আকৰ্ষণীয় অন্য এক ভাস্কৰ্য সম্ভাৰ। প্ৰকাণ্ড প্ৰকাণ্ড শিলাখণ্ড আৰু প্ৰকাণ্ড পাহাৰীয়া বৃক্ষৰে পৰিৱেষ্টিত ভয়াল-জয়াল লগা ঠাইডোখৰত বিভিন্ন বিগ্ৰহৰ সমাৱেশ। তীৰ্থযাত্ৰী আৰু দৰ্শনাৰ্থীসকলৰ মনত এই বিগ্ৰহৰ ওপৰত বিৰাট ধৰ্মীয় বিশ্বাস, যাৰ বাবে প্ৰতিবছৰে মেলাত বিগ্ৰহৰ বেদীত দৰ্শনাৰ্থীসকলে হিয়াৰ আশিস বিচাৰি সোণ-ৰূপ, তামৰ উপাচাৰ আৰু প্ৰাণী উপহাৰ হিচাপে আগবঢ়ায়। বিগ্ৰহকেইটিৰ শিলৰ ওপৰেদি 'আকাশীগংগা' নামৰ পবিত্ৰ নিজৰা এটিৰ অবিৰাম গতিক আৱদ্ধ কৰি ৰাখি 'পাদোদক' হিচাপে লাভ কৰাৰ সুবিধা আছে। পূৰ্বতে তাৰ ওপৰেৰে থকা কষ্টকৰ ৰাস্তাৰে গৈ পাহাৰৰ চূড়াত থকা এটি প্ৰাকৃতিক পুখুৰীৰ সন্ধেদ পোৱা গৈছিল— য'ৰ পৰা পীঠস্থানৰ বাবে প্ৰয়োজনীয় খোৱাপানীৰ উৎস



এই পীঠস্থানৰ উত্তৰ গড়টিত অৱস্থিত বিভিন্ন জোখৰ আৰু অৰ্ধগোলক সদৃশ বৌদ্ধ স্তূপকেইটা বৌদ্ধধৰ্মৰ 'হীনযান' শাখাৰ বুলি অনুমান কৰিব পাৰি। সেইমতে ইয়াক খ্ৰীষ্টপূৰ্ব যুগৰ বুলি অনুমান কৰিব পাৰি। এইটো ঠিক যে সূৰ্য পাহাৰত জৈন আৰু বৌদ্ধ ধৰ্মৰ সঠিক সময় নিৰূপণ নহ'লেও অসমত যে এই দুই ধৰ্মৰ ক্ষীণ প্ৰভাৱ পৰিছিল তাৰেই ইংগিত বহন কৰিছে। বৌদ্ধ স্তূপৰ এই অঞ্চলত ৬৫টা সৰু-বৰ বৌদ্ধ স্তূপ আৱিষ্কৃত হৈছে। ভাৰত চৰকাৰৰ পুৰাতাত্ত্বিক বিভাগে ১৯৮৪ চনৰ পৰা সূৰ্য পাহাৰত খনন কাৰ্য আৰম্ভ কৰে। উত্তৰ দিশে প্ৰথমে এই খনন কাৰ্য আৰম্ভ হৈছিল। ইয়াৰে প্ৰথম গ্ৰহৰ ভগ্নাৱশেষটো বৌদ্ধ ভিক্ষুকৰ গৃহ বুলি ক'ব খোজে। খনন কাৰ্যৰ ফলত ৪০X১০০ বৰ্গ ফুটৰ এটি গৃহৰ ভগ্নাৱশেষ আৱিষ্কৃত হৈছে। এইবোৰৰ পৰা অনুমান কৰিব পাৰি যে শ্ৰীসূৰ্য পাহাৰ হয়তো বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ ধৰ্মীয় সাধনাৰ কেন্দ্ৰস্থল আছিল।

পীঠস্থানৰ মাজ ভাগতেই আছে আওকলীয়া পুৰণি এটি ঘৰ। এই ঘৰটিত নিত্য পূজাৰ ব্যৱস্থা আছে। তাত শিৱলিংগৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰা হৈছে। ধুনী ঘৰৰ ঠিক দক্ষিণ ভাগৰ টিলাত হনুমান মন্দিৰ। পূৰ্বতে এই মন্দিৰত গ্ৰেণাইট শিলৰ হনুমান প্ৰভুৰ বিগ্ৰহ স্থাপিত কৰা হৈছিল। কিন্তু এই মূৰ্তি কোনোবা দুষ্কৃতিকাৰীৰ হাতত বিলুপ্তি হ'ল। তথাপিও বৰ্তমানে বিদ্যমান হনুমান বাবাৰ চৰণত ভক্তসকলৰ হিয়াভৰা প্ৰণিপাত দেখা যায়।



সৃষ্টি হৈছিল। এই দ ঠাইডোখৰৰ শিলত কটা তিনিফুট মান উচ্চতাৰ মূৰ্তিটো স্থানীয় লোকে 'দশভূজা দুৰ্গামূৰ্তি' বুলি কয়। মূৰ্তিটোৰ ওপৰত সপ্তফণাযুক্ত নাগৰ চিত্ৰ খোদিত কৰা হৈছে। সেই অৰ্থত ই 'মা মনসা বা ভগৱতী'। কিন্তু তেনে নহয়। মূৰ্তিটো আচলতে দ্বাদশ ভূজাহে। প্ৰত্নতাত্ত্বিক দিশৰ পৰা ই ১৫ ছেঃ মিঃ দীৰ্ঘ আৰু ৩৫ ছেঃ মিঃ প্ৰস্থৰ দুপাহি পদুম ফুলৰ ওপৰত থিয় হৈ থকা দ্বাদশ ভূজযুক্ত বিষ্ণু দেৱতাৰ 'বিশ্বৰূপ দৰ্শন'ৰ এক সুন্দৰ মূৰ্তি। প্ৰত্নতাত্ত্বিক দৃষ্টিত অসমৰ কোনো ঠাইত এতিয়ালৈকে দ্বাদশভূজৰ বিষ্ণু মূৰ্তি আৱিষ্কাৰ হোৱা নাই। এই ঠাইত কেইবাটিও শিলত কটা গুহা আছে। দুটা গুহাৰ মাজত শ্ৰীগণেশ দেৱতাৰ মূৰ্তি বিদ্যমান। গুহাকেইটিৰ সন্মুখেৰে আৰু দ্বাদশভূজাৰ চৰণৰ তলভাগেৰে বৈ অহা স্বচ্ছ পানীৰ নিজৰাটিয়ে দৰ্শনাৰ্থী, পূজাৰীৰ বিভিন্ন উপকাৰ সাধন কৰাৰ বাহিৰেও ই এক মহৌষধি। পাহাৰ বগাই ক্লান্ত হোৱা চকু-মুখৰ বাবে এই নিজৰাৰ এচলু পানীয়ে দৰ্শনাৰ্থীক প্ৰশান্তি আনি দিয়ে। হিয়া জুৰ কৰি তৃষ্ণা দূৰ কৰাৰ বাহিৰেও মানুহৰ 'গইটাৰ' (Goiter) যাক 'গৰল' ৰোগ বুলি কোৱা হয় তাৰ নিৰাময়ৰ পৰম ঔষধ। মেলাৰ সময়ত বহু দূৰ দূৰণিৰ যাত্ৰীয়ে এই নিজৰাৰ পানী ঔষধ হিচাপে বটলত ভৰাই লৈ যায়।

পীঠস্থানৰ দক্ষিণফালে প্ৰকাণ্ড শিলাখণ্ডৰ ওপৰত দুচটা গ্ৰেণাইট শিল মিলি ঘৰৰ মূধচ সদৃশ এটি প্ৰাকৃতিক গুহা। স্থানীয় লোকে ইয়াক 'চেঁপাশিল' বুলি কয়। গুহাৰ উত্তৰ পিনে থকা শিলাখণ্ডত কায়োৎসৰ্গ ভংগীৰ দণ্ডায়মান অৱস্থাত খোদিত কৰা মূৰ্তি তিনিটাৰ দুটা জৈন ধৰ্মৰ মূৰ্তি বুলি চিনাক্ত কৰা হৈছে। পুৰাতাত্ত্বিকসকলে এই মূৰ্তি দুটাক ক্ৰমে ঋষভ নাথ আৰু নেমি নাথৰ মূৰ্তি বুলি ঠাৱৰ কৰিছে। দুয়োচটা শিলতে তিনি লানি অস্পষ্টকৈ পৌৰাণিক লিপি খোদিত কৰা আছে। এই গুহাৰ মাজৰ ঠেক সুৰুঙা পাৰ হৈ দেখা যায় চন্দ্ৰ মন্দিৰ। 'ব্যাসশ্ৰম' বা 'চেঁপাশিল'ৰ কিছু আঁতৰত এটি গড়খাৱৈৰ ওপৰেদি বৈ অহা আন এটি নিজৰা আৰু তাৰ ওপৰত কাতি হৈ বাগৰি থকা অৱস্থাত যোনিপীঠ সংলগ্ন এটি শিৱলিংগ। তাৰ ওপৰতে শ্ৰীগণেশ দেৱতাৰ মূৰ্তি।

পাহাৰখনৰ সুবিস্তৃত অঞ্চলত বিভিন্ন ধৰণৰ জীৱ-জন্তু দেখা যায়। বিৰল প্ৰজাতিৰ সোণালী বান্দৰ, মইনা, ভাটৌ, বিভিন্ন প্ৰজাতিৰ সৰীসৃপৰ লগতে বিভিন্ন মহৌষধি পোৱা যায়। ভূ-তাত্ত্বিকসকলৰ ধাৰণা মতে পাহাৰৰ এটি বিশেষ স্থান অজগৰৰ বাসস্থান আৰু হীৰাৰ খনিৰ উৎস হ'ব পাৰে; কিন্তু তাক উদ্ধাৰ কৰাটো তেনেই দুঃসাহসিক আৰু কষ্ট সাধ্য।

পীঠস্থান পৰিচালনা সমিতিৰ সুস্থ পৰিচালনা আৰু ভাৰতীয় পুৰাতত্ত্ব বিভাগৰ গুৰুত্বপূৰ্ণ মনোযোগত পীঠস্থানৰ আশু উন্নয়ন অৱশ্যম্ভাৱী। তথাপিও এইক্ষেত্ৰত বন বিভাগ আৰু চৰকাৰৰো এক নৈতিক কৰ্তব্য আছে।

**সহায়কাৰী প্ৰৱন্ধ ঃ**


১। শ্ৰীশ্ৰীসূৰ্য পাহাৰ ঃ এক প্ৰত্নতাত্ত্বিক ঐতিহ্য ঃ কৰুণাকান্ত দাস।

২। গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীসূৰ্যপাহাৰ ঃ জ্যোতিষ নাথ।



# সংস্কৃত সুভাষিতৰ মৌৰস

**তপন ৰাজবংশী**
সংস্কৃত অধ্যাপক

সংস্কৃত হৈছে দেৱভাষা। ইয়াত আধ্যাত্মিক, মানসিক সকলো বিষয়ৰে সাৰমৰ্ম লুকাই আছে। এই দেৱভাষা সংস্কৃতত এনেকুৱা কিছুমান সুভাষিত বা নীতিকথা পোৱা যায়, যিবিলাকে আমাক জীৱনৰ বাটত আগুৱাই যোৱাৰ ক্ষেত্ৰত তথা আমাক বৌদ্ধিক বিকাশত বিশেষভাৱে অৰিহণা যোগাই আহিছে। তেনেকুৱা কিছুমান সুভাষিতৰ বৰ্ণনা দাঙি ধৰা হ'ল।

যস্য নাস্তি স্বয়ং প্ৰজ্ঞা শাস্ত্ৰং তস্য কৰোতি কিম্।
লোচনাভ্যাং বিহীনস্য দৰ্পণঃ কিং কৰিষ্যতি।।

যাৰ নিজস্ব অকণো জ্ঞান নাই অৰ্থাৎ যি বুদ্ধিহীন, বেদাদি শাস্ত্ৰ অধ্যয়ন কৰিলেও তাৰ একো লাভ নহয়। দুয়োটা চকু নথকাজনৰ কাৰণে দৰ্পণৰ কি প্ৰয়োজন?

অন্নাদ্ দশগুণং পিষ্টং পিষ্টাদ দশগুণং পয়ঃ।
পয়সোঅষ্টগুণং মাংসং মাংসাদ দশগুণং ঘৃতম।।

ভাততকৈ দহগুণ শক্তি দিয়ে আটাই (অৰ্থাৎ ৰুটিয়ে), ৰুটিতকৈ দহগুণ শক্তি দিয়ে গাখীৰে, গাখীৰতকৈ দহ গুণ শক্তি দিয়ে মাংসই আৰু মাংসতকৈ দহগুণ শক্তি দিয়ে ঘিঁউৱে।

দৃষ্টিপূতং ন্যসেত্ পাদং বস্ত্ৰপূতং পিবেজ্জলম্।
শাস্ত্ৰপূতং বদেদ বাক্যং মনঃপূতং সমাচৰেত্।।

ভালকৈ চাই-চিতি ভৰি মাটিত পেলাব লাগে, কাপোৰেৰে চেকি পানী খাব লাগে, কথা-বতৰা শাস্ত্ৰানুসাৰে ক'ব লাগে আৰু মনেৰে বিচাৰ কৰি কাম কৰিব লাগে।

সুখাৰ্থী চেত্ ত্যজেদ বিদ্যাং বিদ্যাৰ্থী চেত্ ত্যজেত্ সুখম্।